মৰমৰ সন্তানসকল **– "**তোমালোকে প্ৰতিশ্ৰুতি দিছা যে যেতিয়া আপুনি আহিব তেতিয়া আমি উৎসৰ্গিত হৈ যাম**,** এতিয়া পিতা তোমালোকক প্ৰতিশ্ৰুতি সোঁৱৰাই দিবলৈ আহিছে**"**

প্ৰশ্ন: কোনটো মুখ্য বিশেষত্বৰ কাৰণে পূজ্য বুলি কেৱল দেৱতাসকলকহে ক'ব পাৰি?

উত্তৰ: দেৱতাসকলৰহে বিশেষত্ব আছে যে যিয়ে কেতিয়াও কাকো স্মৰণ নকৰে। পিতাকো স্মৰণ নকৰে আৰু কাৰো চিত্ৰ আদিকো স্মৰণ নকৰে, সেইবাবে তেওঁলোকক পূজ্য বুলি ক'ব। তাত সুখেই সুখ থাকে সেইবাবে কাকো স্মৰণ কৰাৰ দৰকাৰ নাই। এতিয়া তোমালোকে এজন পিতাৰ স্মৃতিৰে এনেকুৱা পূজ্য, পাৱন হৈছা যাৰ বাবে পাছত স্মৰণ কৰাৰ দৰকাৰেই নাথাকে।

ওঁম্ শান্তি। মৰমৰ ৰুহানী সন্তানসকল...... এতিয়া ৰুহানী আত্মা বুলিতো কোৱা নহ'ব। 'ৰুহ' অথবা 'আত্মা' একে কথা। আত্মিক সন্তানসকলৰ প্ৰতি পিতাই বুজায়। আগতে কেতিয়াও আত্মাসকলক পৰমপিতা পৰমাত্মাই জ্ঞান দিয়া নাই। পিতাই নিজে কয় - মই এবাৰেই কল্পৰ পুৰুষোত্তম সংগমযুগত আহোঁ। এনেকৈ আৰু কোনেও ক'ব নোৱাৰে - সংগমযুগৰ বাহিৰে গোটেই কল্পত পিতা নিজে কেতিয়াও নাহে। পিতা সংগমতহে আহে যেতিয়া ভক্তি পূৰা হয় আৰু পিতাই পুনৰ সন্তানসকলক বহি জ্ঞান দিয়ে। নিজক আত্মা বুলি বুজা আৰু পিতাক স্মৰণ কৰা। এইটো কিছুমান সন্তানৰ কাৰণে বৰ কঠিন লাগে। হওতে বহুত সহজ কিন্তু বুদ্ধিত যথা ৰীতি ধাৰণ নহয়। সেয়েহে বাৰে বাৰে বুজাই থাকে। বুজোৱা সত্বেও নুবুজে। স্কুলত শিক্ষকে 12 মাহ পঢ়ায় তথাপিও কোনোবা অনুত্তীৰ্ণ হৈ যায়। এই বেহদৰ পিতায়ো নিতৌ সন্তানসকলক পঢ়ায়। তথাপিও কাৰোবাৰ ধাৰণ হয়, কোনোবাই পাহৰি যায়। মুখ্য কথাতো এইটোৱেই বুজোৱা হয় যে নিজক আত্মা বুলি বুজা আৰু পিতাক স্মৰণ কৰা। পিতাইহে কয় - মামেকম্ স্মৰণ কৰা, আৰু কোনো মনুষ্য মাত্ৰেই কেতিয়াও এনেকৈ ক'ব নোৱাৰে। পিতাই কয় - মই এবাৰেই আহোঁ। কল্পৰ পাছত পুনৰ সংগমত এবাৰেই তোমালোক সন্তানসকলকহে বুজাওঁ। তোমালোকেহে এই জ্ঞান প্ৰাপ্ত কৰা। অন্য কোনেও নলয়েই। প্ৰজাপিতা ব্ৰহ্মাৰ তোমালোক মুখ বংশাৱলী ব্ৰাহ্মণে এই জ্ঞান বুজি পোৱা। এইটো জানা যে কল্প পূৰ্বেও পিতাই এই সংগমত এই জ্ঞান শুনাইছিল। তোমালোক ব্ৰাহ্মণসকলৰে ভূমিকা আছে, এই বৰ্ণবোৰতো ঘূৰিব নিশ্চয় লাগে। অন্য ধৰ্মৰসকল এই বৰ্ণবোৰত নাহেই, ভাৰতবাসীহে এই বৰ্ণবোৰত আহে। ব্ৰাহ্মণো ভাৰতবাসীহে হয়, সেইবাবে পিতা ভাৰতলৈ আহিবলগীয়া হয়। তোমালোক হৈছা প্ৰজাপিতা ব্ৰহ্মাৰ মুখ বংশাৱলী ব্ৰাহ্মণ। ব্ৰাহ্মণৰ পাছত আকৌ হৈছে দেৱতাসকল আৰু ক্ষত্ৰিয়। ক্ষত্ৰিয় কোনো নহয়। তোমালোককতো ব্ৰাহ্মণ কৰি তোলে তাৰপাছত তোমালোক দেৱতা হোৱা। তেওঁলোকৰে আকৌ লাহে লাহে কলা কম হৈ গ'লে তেতিয়া তেওঁলোকক ক্ষত্ৰিয় বুলি কয়। ক্ষত্ৰিয় আপোনাআপুনি হয়। পিতাতো আহি ব্ৰাহ্মণ কৰি তোলে আকৌ ব্ৰাহ্মণৰ পৰা দেৱতা আকৌ তেওঁলোকেই ক্ষত্ৰিয় হয়। তিনিওটি ধৰ্ম পিতাই এতিয়া প্ৰতিষ্ঠা কৰে। এনেকুৱা নহয় যে সত্যযুগ-ত্ৰেতাত পুনৰ আহে। মনুষ্যই বুজি নোপোৱাৰ কাৰণে কৈ দিয়ে যে সত্যযুগ-ত্ৰেতাতো আহে। পিতাই কয় - মই যুগে যুগে নাহোঁ, মই আহোঁৱেই এবাৰ, কল্পৰ সংগমত। তোমালোকক প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা ময়েই ব্ৰাহ্মণ কৰি তোলোঁ। মইতো পৰমধামৰ পৰা আহোঁ। বাৰু ব্ৰহ্মা ক'ৰপৰা আহে? ব্ৰহ্মাইতো 84 জন্ম লয়, মই নলওঁ। ব্ৰহ্মা সৰস্বতী যি বিষ্ণুৰ দুটি ৰূপ লক্ষ্মী-নাৰায়ণ, তেওঁলোকেই 84 জন্ম লয় আকৌ তেওঁলোকৰ বহুত জন্মৰ অন্তত মই প্ৰৱেশ কৰি এওঁক ব্ৰহ্মা কৰি তোলোঁ। এওঁৰ নাম ব্ৰহ্মা মই ৰাখোঁ। এইটো কোনো এওঁৰ নিজৰ নাম নহয়। সন্তান জন্ম হ'লে তেতিয়া নামাকৰণ কৰে, জন্ম দিন পালন কৰে, জন্মপত্ৰিকা অনুসৰি এওঁৰ নামতো লেখৰাজ আছিল। সেয়াতো সৰুকালৰ আছিল। এতিয়া নাম সলনি হৈছে যেতিয়া সংগমত এওঁৰ শৰীৰত পিতাই প্ৰৱেশ কৰিলে। সেয়াও নাম তেতিয়া সলনি হয় যেতিয়া এওঁৰ বানপ্ৰস্থ অৱস্থা হয়। সেই সন্যাসীসকলেতো ঘৰ-সংসাৰ এৰি গুচি যায় তেতিয়া নাম সলনি হয়। এওঁতো ঘৰতেই থাকে, এওঁৰ নাম ব্ৰহ্মা ৰাখিলোঁ, কিয়নো ব্ৰাহ্মণ লাগে নহয়। তোমালোকক নিজৰ কৰি লৈ পৱিত্ৰ ব্ৰাহ্মণ কৰি তোলে। পৱিত্ৰ কৰি তোলা হয়। এনেকুৱা নহয় যে তোমালোক জন্মৰে পৰা পৱিত্ৰ হোৱা। তোমালোকে পৱিত্ৰ হোৱাৰ শিক্ষা পোৱা। কেনেকৈ পৱিত্ৰ হ'বা? সেইটো হৈছে মুখ্য কথা।

তোমালোকে জানা যে ভক্তিমাৰ্গত পূজ্য এজনো থাকিব নোৱাৰে। মনুষ্যই গুৰু আদিৰ আগত মূৰ দোৱায় কিয়নো ঘৰ-সংসাৰ ত্যাগ কৰি পৱিত্ৰ হয়, বাকী তেওঁলোকক পূজ্য বুলি কোৱা নহ'ব। পূজ্য সেইসকল যিসকলে কাকো স্মৰণ নকৰে। সন্যাসীসকলে ব্ৰহ্ম তত্বক স্মৰণ কৰে নহয়, প্ৰাৰ্থনা কৰে। সত্যযুগত কাকো স্মৰণ নকৰে। এতিয়া পিতাই কয় -

তোমালোকে এজনক স্মৰণ কৰিব লাগে। সেয়াতো হৈছে ভক্তি। তোমালোক আত্মাও গুপ্ত। আত্মাক যথাৰ্থ ৰীতি কোনেও নাজানে। সত্যযুগ-ত্ৰেতাতো শৰীৰধাৰীসকলে নিজৰ নামত ভূমিকা পালন কৰে। নামৰ অবিহনেতো ভূমিকা পালন কৰোঁতা হ'ব নোৱাৰে। য'তেই নহওক শৰীৰৰ নাম নিশ্চয় থাকে। নাম অবিহনে ভূমিকা কেনেকৈ পালন কৰিব। গতিকে পিতাই বুজাইছে - ভক্তিমাৰ্গত গায় - আপুনি আহিলে তেতিয়া আমি আপোনাকেই নিজৰ কৰি ল'ম, দ্বিতীয় কোনো নাই। আমি আপোনাৰে হ'ম, এনেকৈ আত্মাই কয়। ভক্তিমাৰ্গত যিসকল দেহধাৰী আছে যিসকলৰ নাম ৰখা হয়, তেওঁলোকক আমি পূজা নকৰোঁ। যেতিয়া আপুনি আহিব তেতিয়া আপোনাৰ প্ৰতিয়ে উৎসৰ্গিত হৈ যাম। কেতিয়া আহিব, এইটোও নাজানে। অনেক দেহধাৰীৰ, নামধাৰীৰ পূজা কৰি থাকে। যেতিয়া আধাকল্প ভক্তি পূৰা হয় তেতিয়া পিতা আহে। তেওঁ কয় - তোমালোকে জন্ম-জন্মান্তৰ কৈ আহিছা - মই আপোনাৰ বাহিৰে কাৰো স্মৰণ নকৰোঁ। নিজৰ দেহকো স্মৰণো নকৰোঁ। কিন্তু মোক নাজানেই তেন্তে স্মৰণ কেনেকৈ কৰিব। এতিয়া পিতাই সন্তানসকলক বহি বুজায় - মৰমৰ সন্তানসকল, নিজক আত্মা বুলি বুজা আৰু মোক স্মৰণ কৰা। পিতাহে পতিত-পাৱন, তেওঁক স্মৰণ কৰিলে তোমালোক পাৱন সতোপ্ৰধান হৈ যাবা। সত্যযুগ-ত্ৰেতাত ভক্তি নাথাকেই। তোমালোকে কাৰো স্মৰণ নকৰা। পিতাকো স্মৰণ নকৰা, চিত্ৰবোৰকো স্মৰণ নকৰা। তাততো সুখেই সুখ থাকে। পিতাই বুজাইছে - যিমান তোমালোক সমীপত আহি থাকিবা, কৰ্মাতীত অৱস্থা হৈ গৈ থাকিব। সত্যযুগত নতুন সৃষ্টি, নতুন ঘৰত আনন্দও বহুত থাকে আকৌ যেতিয়া 25 শতাংশ পুৰণা হয় তেতিয়া যেন স্বৰ্গকেই পাহৰি যায়। গতিকে পিতাই কয় - তোমালোকে গাইছিলা আপোনাৰেই হ'ম, আপোনাৰ পৰাই শুনিম। তেন্তে নিশ্চয় আপুনি বুলি পৰমাত্মাকেই কোৱা নহয়। আত্মাই কয় পৰমাত্মা পিতাৰ প্ৰতি। আত্মা হৈছে সূক্ষ্ম বিন্দু, আত্মাক চাবৰ কাৰণে দিব্য দৃষ্টি লাগে। আত্মাক ধ্যান কৰিব নোৱাৰিবা। মই আত্মা ইমান সূক্ষ্ম বিন্দু, এনেকৈ বুজি স্মৰণ কৰাতো কঠিন। আত্মাক সাক্ষাৎকাৰ কৰাৰ চেষ্টা নকৰে, পৰমাত্মাৰ কাৰণে চেষ্টা কৰে, যাৰ বাবে কোৱা শুনিছা যে তেওঁ হাজাৰ সূৰ্যতকৈও তেজোময়। কাৰোবাৰ সাক্ষাৎকাৰ হ'লে তেতিয়া কয় - বহুত তেজোময় আছিল কিয়নো তেনেকৈয়ে শুনিছে। যাৰ ঐকান্তিক ভক্তি কৰিব, দেখিবও তেওঁকে। নহ'লেতো বিশ্বাসে নজন্মিব। পিতাই কয় - আত্মাকেই যদি দেখা নাই তেন্তে পৰমাত্মাক কেনেকৈ দেখিবা। আত্মাক চাবই বা কেনেকৈ পাৰে বাকী সকলোৰেতো শৰীৰৰ চিত্ৰ আছে, নাম আছে, আত্মা হৈছে বিন্দু, অতি সূক্ষ্ম, আত্মাক কেনেকৈ দেখিব। চেষ্টা বহুত কৰে, কিন্তু এই দুচকুৰে দেখা পাব নোৱাৰে, আত্মাই জ্ঞানৰ অব্যক্ত চক্ষু প্ৰাপ্ত কৰে।

এতিয়া তোমালোকে জানা যে আমি আত্মা কিমান সূক্ষ্ম। মোৰ মাজত অৰ্থাৎ আত্মাত 84 জন্মৰ ভূমিকা নিহিত হৈ আছে, যাক মই পুনৰাবৃত্তি কৰিব লাগে। পিতাৰ শ্ৰীমত পোৱা যায় শ্ৰেষ্ঠ হোৱাৰ কাৰণে, গতিকে সেই অনুসৰি চলিব লাগে। তোমালোকে দৈৱীগুণ ধাৰণ কৰিব লাগে। খোৱা-বোৱাও মাৰ্জিত হ'ব লাগে, চলন বহুত মাৰ্জিত হ'ব লাগে। তোমালোক দেৱতা হোৱাগৈ। দেৱতাসকল নিজে পূজ্য হয়, তেওঁলোকে কেতিয়াও কাৰো পূজা নকৰে। তেওঁলোকতো দ্বি-মুকুটধাৰী হয় নহয়। তেওঁলোকে কেতিয়াও কাৰো পূজা নকৰে, গতিকে পূজ্য হ'ল নহয়। সত্যযুগত কাৰোবাক পূজা কৰাৰ দৰকাৰেই নাই। বাকী এইটো হয় যে ইজনে-সিজনক সন্মান নিশ্চয় দিব। এনেকৈ নমস্কাৰ কৰা, ইয়াক সন্মান জনোৱা বুলি কোৱা হয়। এনেকুৱা নহয় যে অন্তৰেৰে তেওঁক স্মৰণ কৰিব লাগে। সন্মানতো দিবই লাগিব। যেনেকৈ ৰাষ্ট্ৰপতিক সকলোৱে সন্মান জনায়। এইটো জানে যে এওঁ উচ্চ পদবীধাৰী। নমস্কাৰ জনাব লাগে জানো। গতিকে পিতাই বুজায় - এই জ্ঞানমাৰ্গ একেবাৰে বেলেগ বস্তু, ইয়াত কেৱল নিজক আত্মা বুলি বুজিব লাগে যিটো তোমালোকে পাহৰি গ'লা। শৰীৰৰ নাম স্মৰণ কৰিলা। কামতো নিশ্চয় নামেৰেই কৰিব লাগে। নাম নাথাকিলে কাৰোবাক মাতিবা কেনেকৈ। যদিও তোমালোকে শৰীৰধাৰী হৈ ভূমিকা পালন কৰা কিন্তু বুদ্ধিৰে শিৱবাবাক স্মৰণ কৰিব লাগে। শ্ৰীকৃষ্ণৰ ভক্তসকলে ভাবে আমি শ্ৰীকৃষ্ণকেই স্মৰণ কৰিব লাগে। বচ্ যিফালেই চাওঁ - কৃষ্ণই কৃষ্ণ। ময়ো কৃষ্ণ, তুমিও কৃষ্ণ। হেৰ' তোমালোকৰ নাম বেলেগ, তেওঁৰ নাম বেলেগ...... সকলো কৃষ্ণই কৃষ্ণ কেনেকৈ হ'ব পাৰে। সকলোৰে নাম জানো কৃষ্ণ, যি মনলৈ আহে তাকে কৈ থাকে। এতিয়া পিতাই কয় - ভক্তিমাৰ্গৰ সকলো চিত্ৰ আদি পাহৰি এজন পিতাক স্মৰণ কৰা। চিত্ৰকতো তোমালোকে পতিত-পাৱন বুলি নোকোৱা, হনুমান আদি জানো পতিত-পাৱন হয়। অনেক চিত্ৰ আছে, কোনো পতিত-পাৱন নহয়। কোনো দেৱী আদি যিসকলৰ শৰীৰ আছে তেওঁলোকক পতিত-পাৱন বুলি কোৱা নহয়। 6-8 ভুজাধাৰী দেৱী আদি সাজে, সকলো নিজৰ বুদ্ধিৰে। এওঁলোক কোন, সেইটোতো নাজানে। এওঁলোক পতিত-পাৱন পিতাৰ সন্তান সহায়কাৰী হয়, এইটো কোনেও গম নাপায়। তোমালোকৰ ৰূপতো এয়া সাধাৰণেই। এই শৰীৰতো বিনাশ হৈ যাব। এনেকুৱা নহয় যে তোমালোকৰ চিত্ৰ আদি থাকিব। এই সকলোবোৰ নাশ হৈ যাব। বাস্তৱত দেৱী তোমালোক। নামো লোৱা হয় - সীতা দেৱী, অমুক দেৱী। ৰাম দেৱতা বুলি নকয়। অমুক দেৱী বা শ্ৰীমতী বুলি কৈ দিয়ে, সেয়াও ভুল হৈ যায়। এতিয়া পাৱন হ'বলৈ পুৰুষাৰ্থ কৰিব লাগে। তোমালোকে কোৱাও যে পতিতৰ পৰা পাৱন কৰি তোলক। এনেকৈ নকয় যে লক্ষ্মী-নাৰায়ণ কৰি তোলক। পতিতৰ পৰা পাৱনো পিতাই কৰি তোলে। নৰৰ পৰা নাৰায়ণো তেৱেঁই কৰি তোলে।

তেওঁলোকে পতিত-পাৱন বুলি নিৰাকাৰক কয়। আৰু সত্য-নাৰায়ণৰ কথা শুনাওঁতাসকলে আকৌ অন্য ৰূপত দেখুৱাইছে। এনেকৈতো নকয় যে বাবা সত্য-নাৰায়ণৰ কাহিনী শুনাই অমৰ কৰি তোলক, নৰৰ পৰা নাৰায়ণ কৰি তোলক। কেৱল কয় - আহি পাৱন কৰি তোলক। বাবাইহে সত্য-নাৰায়ণৰ কাহিনী শুনাই পাৱন কৰি তোলে। তোমালোকে আকৌ আনক সত্য কাহিনী শুনোৱা। আৰু কোনেও জানিব নোৱাৰে। তোমালোকেহে জানা। যদিও তোমালোকৰ ঘৰত মিত্ৰ, সম্বন্ধীয়, ভাই আদি আছে কিন্তু তেওঁলোকেও নুবুজে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) নিজক শ্ৰেষ্ঠ কৰি তুলিবৰ কাৰণে পিতাৰ যি শ্ৰীমত পোৱা যায়, সেই অনুসৰি চলিব লাগে, দৈৱীগুণ ধাৰণ কৰিব লাগে। খোৱা-বোৱা, চলন সকলো মাৰ্জিত হ'ব লাগে।

(2) ইজনে-সিজনক স্মৰণ কৰিব নালাগে, কিন্তু সন্মান নিশ্চয় দিব লাগে। পাৱন হোৱাৰ পুৰুষাৰ্থ কৰিব আৰু কৰাব লাগে।

বৰদান: নিৰস বাতাৱৰণত সুখৰ ৰেঙনিৰ অনুভৱ কৰাওঁতা সৰ্বদা সুখী হোৱা

সৰ্বদা সুখী অৰ্থাৎ সদায় সুখী হৈ থকাৰ বৰদান যিসকল সন্তানে প্ৰাপ্ত কৰিছে তেওঁলোক দুখৰ ঢৌ উৎপন্ন কৰা বাতাৱৰণত, নিৰস বাতাৱৰণত, অপ্ৰাপ্তিৰ অনুভৱ কৰোৱা বাতাৱৰণত সদায় সুখী হৈ থাকিব আৰু নিজৰ সুখৰ ৰেঙনিৰে দুখ আৰু উদাসীনতাৰ বাতাৱৰণকো এনেকৈ পৰিৱৰ্তন কৰিব যেনেকৈ সূৰ্যই অন্ধকাৰ পৰিৱৰ্তন কৰি দিয়ে। অন্ধকাৰৰ মাজত প্ৰকাশময় কৰা, অশান্তিৰ মাজত শান্তি অনা, নিৰস বাতাৱৰণত সুখৰ ৰেঙনি অনা ইয়াকে সৰ্বদা সুখী বুলি কোৱা হয়। বৰ্তমান সময়ত এইটো সেৱাৰ আৱশ্যকতা আছে।

শ্লোগান: অশৰীৰী তেওঁ যাক শৰীৰৰ কোনো ধৰণৰ আকৰ্ষণে নিজৰ ফালে আকৰ্ষিত নকৰে।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত: এতিয়া সম্পন্ন তথা কৰ্মাতীত হোৱাত মনোনিবেশ কৰা

কৰ্মাতীতৰ অৰ্থ এইটো নহয় যে কৰ্মৰ পৰা অতীত হৈ যাবা। কৰ্মৰ পৰা উৰ্দ্ধত নহয়, কৰ্মৰ বন্ধনত আৱদ্ধ হোৱাৰ পৰা উৰ্দ্ধত - ইয়াকে কৰ্মাতীত বুলি কোৱা হয়। কৰ্মযোগৰ স্থিতিয়ে কৰ্মাতীত স্থিতিৰ অনুভৱ কৰায়। এই কৰ্মযোগী স্থিতি অতি মৰমৰ আৰু অনাসক্ত স্থিতি, ইয়াৰ দ্বাৰা পৰিশ্ৰমযুক্ত যিমানেই ডাঙৰ কাৰ্য নহওক কিন্তু এনেকুৱা লাগিব যেন কাম কৰি থকা নাই, খেল খেলি আছোঁ।